# দিছপুৰ মহাবিদ্যালয়ত সাধুকোৱাৰ বৰ্ণাঢ্য অনুষ্ঠান



দৈনন্দিন বাৰ্তৰ সেৱা, উত্তৰ গুৱাহাটী, ১৪ জুন ঃ অসম সাহিত্য সভাৰ বামধেনু উপসমিতিৰ উদ্যোগত আৰু দিছপুৰ মহাবিদালয়ৰ অসমীয়া বিভাগৰ সহযোগত সাধুকোৱা অনুষ্ঠান অনুষ্ঠিত হয়। দিশপুৰ মহাবিদালয়ৰ সন্মানীয় অধ্যক্ষ ড° নৱজ্যোতি বৰাদেৱৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সন্মানীয় সভাপতি শ্ৰীমতী সবিতা দেৱীয়ে। বিভাগৰ মুৰব্বী ড° মালবিকা ভট্টাচাৰ্যৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ছাত্ৰ ছাত্ৰীসকলে সাধুকোৱা অনুষ্ঠানটি সফল ৰূপায়ণ কৰে। মহাবিদালয়ৰ অধ্যক্ষ নৱজ্যোতি বৰাদেৱে সাধুকোৱা অনুষ্ঠানে ছাত্ৰ ছাত্ৰী সকলৰ মানসিক বিকাশত বিশেষ ভূমিকা পালন কৰিব লগতে এই ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা বাবে অসম সাহিত্য সভা আৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগক ধন্যবাদ জ্ঞাপন কৰে। মুখ্য অতিথি সবিতা দেৱীয়ে সাধুকোৱা অনুষ্ঠানটিয়ে ছাত্ৰ-ছাত্ৰীসকলক নীতি শিক্ষা প্ৰদান কৰিব বুলি মন্তব্য কৰে। ভৱিষ্যতে দিশপুৰ মহাবিদ্যালয়ে অসম সাহিত্য সভাৰ সৈতে লগ হৈ আৰু অনুষ্ঠান আয়োজন কৰাৰ বাবে অনুৰোধ জনায়। ইয়াৰ পিছত সাধু কোৱা অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীক অসম সাহিত্য সভাৰ বামধেনু উপসমিতিৰ তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। প্ৰমাণ প্ৰদন কাৰ্যসূচিত মহাবিদালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ আহ্বায়ক ড° অজয় মিত্ৰ আৰু কমাৰ্চ বিভাগৰ অধ্যাপক ড° মাধুৰ বৰ্মন, অসমীয়া বিভাগৰ অধ্যাপিকা বৰ্ণালী বৰা আৰু লীমা কলিতা উপস্থিত থাকে। অসম সাহিত্য সভাৰ বামধেনু উপ-সমিতিৰ আহ্বায়ক তথা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অজিতপ্ৰসাদ শৰ্মাই আৰু ধৰা, অংশগ্ৰহণকাৰী প্ৰমাণপত্ৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰি আপ্লুত হোৱা বুলি নিজৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানৰ শেষত অধ্যাপিকা লীমা কলিতাই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি ঘোষণা কৰা হয়।

Dainandin Barta, 15/06/23

উত্তেজনাৰে উপচাই দিছে।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ প্ৰমাণপত্ৰ

# সাহিত্য সভাৰ উদ্যোগত দিছপুৰ মহাবিদ্যালয়ত সাধুকোৱা অনুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুন : অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উদ্যোগত আৰু দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত সাধুকোৱা অনুষ্ঠান অনুষ্ঠিত হয়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি সবিতা দেৱী। বিভাগৰ মুৰব্বী ড° মালবিকা ভট্টাচাৰ্যৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলে সাধুকোৱা অনুষ্ঠানটো সফল ৰূপায়ণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ বৰাই সাধু কোৱা অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশত বিশেষ ভূমিকা পালন কৰিব লগতে এই ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা বাবে অসম সাহিত্য সভা আৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগক ধন্যবাদ জ্ঞাপন কৰে। মুখ্য অতিথি সবিতা দেৱীয়ে সাধুকোৱা অনুষ্ঠানটিয়ে ছাত্ৰ-ছাত্ৰীসকলক নীতি শিক্ষা প্ৰদান কৰিব বুলি মন্তব্য কৰে। ভৱিষ্যতে দিশপুৰ মহাবিদ্যালয়ে অসম সাহিত্য সভাৰ সৈতে লগ হৈ আৰু অনুষ্ঠান আয়োজন কৰাৰ বাবে অনুৰোধ জনায়। ইয়াৰ পাছত সাধুকোৱা অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। প্ৰমাণপত্ৰ প্ৰদান কাৰ্যসূচীত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ আহ্বায়ক ড° অজয় মিত্ৰ আৰু কমাৰ্চ বিভাগৰ অধ্যাপক ড° মাথুৰ বৰ্মন অসমীয়া বিভাগৰ অধ্যাপিকা বৰ্ণালী বৰা আৰু লীমা কলিতা উপস্থিত থাকে। অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ আহ্বায়ক তথা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অজিত প্ৰসাদ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত প্ৰমাণপত্ৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰি আপ্লুত হয়। অনুষ্ঠানৰ শেষত অধ্যাপিকা লীমা কলিতাই শলাগৰ শৰাই আগবঢ়োৱায়।



Asomiya Khobor, 15/06/23

IMG-20230615-WA0000.jpg

অংশগ্ৰহণ কৰিব। গুৱাহাটী মণ্ডলৰ সমূহ উন্নয়ন বিষয়াক অধিৱেশনত উপস্থিত থাকিবলৈ অভ্যৰ্থনা সমিতিৰ মুখ্য আহ্বায়ক প্ৰশান্ত কুমাৰ বৰ্মনে অনুৰোধ জনাইছে।

অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হীৰেন নাথ, বিশেষ শাখাৰ আৰক্ষী মহাপৰিদৰ্শক লাচিত বৰুৱা, বিশেষ শাখাৰ আৰক্ষী মহাপৰিদৰ্শক (সুৰক্ষা) ইমদাদুল হক বৰাৰ উপৰি বিশেষ শাখাৰ আৰক্ষী অধীক্ষকসকল আৰু

...লিপ বৰগোহাঁই, ... বৰ্মন, হিয়াশ্ৰী চৌ... কলিতা, সুমন দাস, অ... দত্ত। আৰক্ষীৰ বিশে... যুগলৰ থোপা, গামো... লগতে আৰ্থিক পুৰস্ক...

# দিছপুৰ মহাবিদ্যালয়ত সাধু কোৱা অনুষ্ঠান

মহানগৰ বাতৰি সেৱা

উত্তৰ গুৱাহাটী, ১৪ জুন ঃ অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উদ্যোগত আৰু দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত আজি এটা সাধু কোৱা অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱজ্যোতি বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি সবিতা দেৱীয়ে। বিভাগীয় মুৰব্বী ডঃ মালৱিকা ভট্টাচাৰ্যৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে আগ্ৰহেৰে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ বৰাই সাধু কোৱা অনুষ্ঠানটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশত বিশেষ ভূমিকা পালন কৰিব বুলি মন্তব্য কৰাৰ লগতে এই ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰা বাবে অসম সাহিত্য সভা আৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগক ধন্যবাদ জ্ঞাপন কৰে। মুখ্য অতিথি সবিতা দেৱীয়ে সাধু কোৱা অনুষ্ঠানটোৱে ছাত্ৰ-ছাত্ৰীসকলক নীতি-শিক্ষা প্ৰদান কৰিব বুলি উল্লেখ কৰে। ইয়াৰ পাছত সাধু কোৱা অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীক অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ তৰফৰপৰা প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। কাৰ্যসূচীত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ আহ্বায়ক ডঃ অজয় মিত্ৰ আৰু কমাৰ্চ বিভাগৰ অধ্যাপক ডঃ মাথুৰ বৰ্মন, অসমীয়া বিভাগৰ অধ্যাপিকা বৰ্ণালী বৰা আৰু লীমা কলিতা উপস্থিত আছিল। ৰামধেনু উপ-সমিতিৰ আহ্বায়ক তথা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অজিত প্ৰসাদ শৰ্মাই আঁত ধৰা অনুষ্ঠানত প্ৰমাণ-পত্ৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অনুভৱ ব্যক্ত কৰে। অধ্যাপিকা লীমা কলিতাই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।



দৈনিক অসম 15 June - 2023

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৫ জুন, দেওবাৰ, ২০২৩ পৃষ্ঠা ১১

# দিছপুৰ মহাবিদ্যালয়ত নিচাজাতীয় দ্ৰব্য বিৰোধী দিৱস উদ্‌যাপন



**গুৱাহাটী, ২৪ জুন ঃ** যোৱা ২০ জুনত দিছপুৰ মহাবিদ্যালয়ত এনএছএছৰ সহযোগত নিচাজাতীয় দ্ৰব্য বিৰোধী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত চি এছ কে সিংহ, মহেশ প্ৰসাদ, মহাবিদ্যালয়ৰ অধ্যক্ষ নৰজ্যোতি বৰা প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত নিচাজাতীয় দ্ৰব্যৰ পৰা হ'ব পৰা অপকাৰিতা আৰু ইয়াৰ বিৰুদ্ধে থকা আইনসমূহৰ বিষয়ে বহলাই ব্যাখ্যা কৰা হয়। পাছত সকলোৱে নিচাজাতীয় দ্ৰব্য গ্ৰহণ নকৰাৰ বাবে শপত গ্ৰহণ কৰে।

নিয়মীয়া বাৰ্তা বৃহস্পতিবাৰ, ২৯ জুন ২০২৩

# দিছপুৰ কলেজত তৃতীয় লিংগৰ বাবে ১০ আসন সংৰক্ষণ

মহানগৰ বিশেষ বাৰ্তা, ২৮ জুন ঃ গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয়ৰ বিশেষ পদক্ষেপ। তৃতীয় লিংগৰ শিক্ষাৰ্থীৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰৱৰ্তন কৰিছে দুখন আঁচনি। কৰ্তৃপক্ষই চলিত শিক্ষ বৰ্ষৰ পৰা মহাবিদ্যালয়খনত তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আগুৱাৰ স্নাতক পাঠ্যক্ৰমত কলা আৰু বাণিজ্য দুয়োটা শাখাত ৫খনকৈ অৰ্থাৎ ১০খন আসন সংৰক্ষণ কৰিব। এই সন্দৰ্ভত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই জনায় যে এই ১০ আসনৰ কমেও দুজন দুখীয়া তৃতীয় লিংগৰ শিক্ষাৰ্থীক বিনামূলীয়াকৈ নামভৰ্তি দিয়া হ'ব। বিনামূলীয়া নামভৰ্তিৰ সুবিধা ল'বলৈ তেওঁলোকে উপযুক্ত নথি-পত্ৰ দিব লাগিব। যিসকলৰ বিপিএল কাৰ্ড নাই তেওঁলোকে শপতনামা দি আবেদন কৰিব পাৰিব। উল্লেখ্য যে দিছপুৰ কলেজত ইতিমধ্যে এটা সুকীয়া প্ৰস্ৰাৱাগাৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি জেণ্ডাৰ চেম্পিয়ন শীৰ্ষক এক কাৰ্যসূচী প্ৰৱৰ্তন কৰি ইয়াৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তৃতীয় লিংগৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিছে। ইচ্ছুক যিকোনো তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীয়ে অধিক তথ্যৰ বাবে দিছপুৰ কলেজ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে অধ্যক্ষই। তৃতীয় লিংগৰ লোকসকলক আন লোকৰ সমানে আগুৱাই নিয়াৰ উদ্দেশ্যে এই পদক্ষেপ হাতত লৈছে কলেজ কৰ্তৃপক্ষই।



## বেলতলাত জ্যেষ্ঠ নাগৰিকৰ চিকিৎসা শিবিৰ

মহানগৰ বাৰ্তা, ২৮ জুন ঃ বেলতলা জ্যেষ্ঠ নাগৰিক চ'ৰাৰ উদ্যোগত জ্যেষ্ঠ নাগৰিক, দিব্যাংগ আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ জ্যেষ্ঠ নাগৰিকৰ বাবে বিনামূলীয়া চিকিৎসা সেৱা কেন্দ্ৰ মুকলি কৰা হৈছে। আজি এই সেৱা কেন্দ্ৰত কুৰিগৰাকী জ্যেষ্ঠ নাগৰিকক দুগৰাকী চিকিৎসকে চিকিৎসা সেৱা আগবঢ়ায়। ৰাজ্যৰ ভিতৰতে জ্যেষ্ঠ নাগৰিকৰ স্থাপন কৰা প্ৰথমটো সেৱা কেন্দ্ৰত প্ৰতি সপ্তাহৰ সোমবাৰৰ পৰা বুধবাৰলৈ বিয়লি ৪ বজাৰ পৰা চিকিৎসা সেৱা লাভ

## নাৰেংগী উচ্চ বিদ্যালয়ত

আমাৰ অসম
গুৱাহাটী, শুকুৰবাৰ ■ ১৪ আহাৰ, ১৯৪৫ শক
■ ৩০ জুন ২০২৩

## দিছপুৰ কলেজত ট্ৰেন্সজেণ্ডাৰৰ বাবে বিশেষ সুবিধা

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ২৯ জুন ঃ দিছপুৰ মহাবিদ্যালয়ে আগন্তুক পাঠ্যবৰ্ষৰ পৰা ট্ৰেন্সজেণ্ডাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দুটা নতুন বিশেষ ব্যৱস্থা গ্ৰহণ কৰা বুলি ঘোষণা কৰিছে। সেই মতে, কলা আৰু বাণিজ্য শাখাত প্ৰতিভাগতে পাঁচখনকৈ আসন সংৰক্ষিত কৰা হৈছে বুলি জানিবলৈ দিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ নৱজ্যোতি বৰাই জানিবলৈ দিয়া মতে অন্ততঃ দুজনকৈ উপযুক্ত বুলি বিবেচিত ট্ৰেন্সজেণ্ডাৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা দিয়া হ'ব। তেওঁলোকে অৱশ্যেই কৰ্তৃপক্ষৰ ওচৰত উপযুক্ত প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব। যিসকলৰ হাতত বিপিএল কাৰ্ড নাই, তেওঁলোকে প্ৰয়োজনীয় শপতনামা সহকাৰে আৱেদন জনাব পাৰিব। ট্ৰেন্সজেণ্ডাৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা লাভৰ সুবিধা প্ৰদানৰ অৰ্থে দিছপুৰ মহাবিদ্যালয়ে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

পুনৰ্বিবেচনা কৰাৰ যো-জা কৰিছে, সে...
৫৮নম্বৰ তামুলপুৰ বিধানসভা সম...
সাম্ভাব্য তালিকাখনত অনুসূচিত জন...
হিচাপে অন্তৰ্ভুক্ত হ'ব বুলি জানিব পা...
এইক্ষেত্ৰত ২০১১ চনৰ লোকপিয়ল অ...
৫৮ নম্বৰ তামুলপুৰ বিধানসভা স...
জনগাঁথনিৰ প্ৰতি লক্ষ্য কৰিলে গম পো...
যে সৰ্বমুঠ ভোটাৰৰ কেৱল মাত্ৰ ...
শতাংশ ভোটাৰহে অনুসূচিত জনজাতি...

## বকো সমষ্টি এচ...
## ৰাভা হাছং যৌ...



ৰাভা হাছং যৌ...

'আমাৰ অসম'ৰ বকোৰ প্ৰতিবেদক, ...
ভাৰতৰ নিৰ্বাচনী আয়োগে ২০ জুন...
বিধানসভা আৰু লোকসভাৰ সমষ্টিস...
নিৰ্ধাৰণৰ খচৰা প্ৰকাশ কৰাৰ পিছত...
বিভিন্ন সমষ্টিত সৃষ্টি হোৱা ৰাজনৈতিক...